**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অপাৰেচন সিন্দূৰ সম্পৰ্কীয় ভাৰতৰ কূটনৈতিক প্ৰয়াস আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে এটা সৰ্বদলীয় প্ৰতিনিধি দল ৫ খন ৰাষ্ট্ৰলৈ বুলি ৰাওনা হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নতুনকৈ বিকাশাই তোলা ১০৩ টা ষ্টেচন মুকলি কৰিব।

৩। মিজোৰাম দেশৰ ভিতৰতে সম্পূৰ্ণৰূপে সাক্ষৰতাপ্ৰাপ্ত প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে।

৪। ছট্টিশগড়ৰ নাৰায়ণপুৰ জিলাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ২০ জন নক্সালবাদী নিহত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

অপাৰেচন সিন্দূৰ সম্পৰ্কীয় ভাৰতৰ কূটনৈতিক প্ৰয়াস আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত এটা সৰ্বদলীয় প্ৰতিনিধি দল আজি ৫ খন ৰাষ্ট্ৰলৈ বুলি ৰাওনা হয়। এই প্ৰতিনিধিৰ দলটোৱে ইন্দোনেছিয়া, মালয়েছিয়া, কোৰিয়া গণৰাজ্য, জাপান আৰু ছিংগাপুৰলৈ যাব আৰু সকলোধৰণৰ সন্ত্ৰাসবাদৰ সন্মুখীন হোৱাৰ বাবে গ্ৰহণ কৰা দেশৰ দৃঢ় দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰিব। ৰাওনা হোৱাৰ পূৰ্বে নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী ঝাই কয়, যে সন্ত্ৰাসবাদ পাকিস্তানৰ ৰাষ্ট্ৰনীতিৰ অংশ আৰু ইছলমাবাদ মহলে কিদৰে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে, সেই বিষয়ে তেওঁলোকে বিশ্বক জনাব।

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত আন এটা প্ৰতিনিধি দল আজি সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ – ইউ এ ই, লাইবেৰিয়া, কংগ' গণতান্ত্ৰিক গণৰাজ্য আৰু চিয়েৰা লিঅ'ন অভিমুখে ৰাওনা হয়। পাকিস্তানৰ অভিসন্ধি আৰু ভাৰতৰ সফল সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় মহলক অৱগত কৰোৱাৰ উদ্দেশ্যে ৭টা বহুদলীয় প্ৰতিনিধি দল গঠন কৰা হৈছে। এই প্ৰতিনিধি দলসমূহে ৫ জুনৰ ভিতৰত মুঠ ৩২ খন দেশ ভ্ৰমণ কৰিব আৰু পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় স্থিতি আৰু সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলতাৰ নীতিৰ বিষয়ে অৱগত কৰিব। উল্লেখযোগ্য যে বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কালি নতুন দিল্লীৰ সংসদ ভৱনত তিনিটা প্ৰতিনিধি দলৰ সদস্যক ভ্ৰমণৰ বিভিন্ন দিশৰ বিষয়ে অৱগত কৰিছিল।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ বিকানেৰৰ পৰা অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নতুনকৈ বিকাশাই তোলা ১০৩ টা ষ্টেচন মুকলি কৰিব। এই অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

প্ৰধানমন্ত্ৰীয়ে লগতে ২৬ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়ন প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই প্ৰকল্পৰসমূহৰ ভিতৰত ৰে'ল, পথ, শক্তি, জল আৰু নৱীকৰণযোগ্য শক্তিখণ্ডৰ প্ৰকল্প আছে।

ooooooooo

মিজোৰাম দেশৰ ভিতৰতে সম্পূৰ্ণৰূপে সাক্ষৰতাপ্ৰাপ্ত প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী লালডুহমা কালি কেন্দ্ৰীয় শিক্ষা দপ্তৰৰ ৰাজ্যমন্ত্ৰী জয়ন্ত চৌধুৰীৰ উপস্থিতিত মিজোৰামক পূৰ্ণ সাক্ষৰতাপ্ৰাপ্ত ৰাজ্য হিচাপে ঘোষণা কৰে। আইজলৰ মিজোৰাম বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সৰ্বাত্মক শিক্ষা আৰু প্ৰতিগৰাকী নাগৰিকৰ সৰলীকৰণৰ বাবে গ্ৰহণ কৰা শক্তিশালী পদক্ষেপৰ ফলত ৰাজ্যখনে এই সফলতা লাভ কৰিছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে এই সাফল্যৰ বাবে ৰাজ্যখনৰ জনসাধাৰণক অভিনন্দন জনাইছে। শ্ৰী প্ৰধানে সামাজিক মাধ্যমযোগে কৈছে যে এয়া ৰাষ্ট্ৰৰ বাবে গৌৰৱৰ ক্ষণ। এয়া চৰকাৰ আৰু জনসাধাৰণৰ সমূহীয়া প্ৰচেষ্টাৰ ফল বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰী প্ৰধানে কয়, যে মিজোৰামৰ এই সাফল্যৰ পৰা সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে অনুপ্ৰেৰণা লাভ কৰিব। এই সফলতাই বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰিব বুলিও তেওঁ মন্তব্য কৰে।

ooooooooo

বিজেপিয়ে অপাৰেচন সিন্দূৰ সন্দৰ্ভত কৰা আপত্তিজনক মন্তব্যৰ বাবে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত দলৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয়, যে শ্ৰী খাৰ্গেৰ মন্তব্য সঁচাকৈ গৰিহণাযোগ্য আৰু সশস্ত্ৰ বাহিনীৰ প্ৰতি অপমানজনক। তেওঁ লগতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও পূৰ্বে এনেধৰণৰ মন্তব্য কৰা বুলি উল্লেখ কৰে।

কালি কৰ্ণাটকৰ এটা অনুষ্ঠানত ভাষণ দি শ্ৰী খাৰ্গেই পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ সামৰিক অভিযানৰ বিষয়ে উল্লেখ কৰি আপত্তিজনক মন্তব্য কৰা বুলি অভিযোগ উঠিছে।

ooooooooo

ছট্টিশগড়ৰ নাৰায়ণপুৰ জিলাৰ অবুঝমাড় এলেকাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত এজন শীৰ্ষ কমাণ্ডাৰসহ কমেও ২০ জন নক্সালবাদী নিহত হৈছে। এই সংঘৰ্ষত সুৰক্ষা বাহিনীৰ এজন জোৱান আহত হোৱা বুলি জানিব পৰা গৈছে। ছট্টিশগড়ৰ নাৰায়ণপুৰ, দান্তেৱাৰা, বিজাপুৰ আৰু কন্দাগাঁৱৰ জিলা সংৰক্ষিত বাহিনীৰ এটা যৌথ দলে অবুঝমাড় এলেকাত নক্সালবাদীৰ এজন শীৰ্ষ নেতা আৰু ভালেসংখ্যক নক্সালবাদী আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰি আজি পুৱা চলোৱা অভিযানত এই নক্সালবাদীকেইজন নিহত হয়। আমালৈ বাতৰি অহাৰ পৰলৈকে  নক্সালবাদী আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘৰ্ষ অব্যাহত আছিল।

ooooooooo

কেন্দ্ৰীয় চৰকাৰে ২৯ মে'ৰ পৰা ২ জুনৰ ভিতৰত তাপমাত্ৰা ৫৫ ডিগ্ৰী চেলচিয়াছলৈ বৃদ্ধিৰ সম্ভাৱনা সন্দৰ্ভত উচ্চ সতৰ্কতা জাৰি কৰা বুলি দাবী কৰি সামাজিক মাধ্যমৰ একাংশ চেনেলযোগে প্ৰচাৰিত বাতৰি চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফ'ৰমেচন ব্যুৰ'ৰ সত্যাসত্য নিৰূপণ গোটে চৰকাৰে এনে কোনো অধিসূচনা জাৰি কৰা নাই বুলি স্পষ্ট কৰি দিছে আৰু জনসাধাৰণক বতৰৰ বতৰাৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ ৱেবছাইট চাবলৈ আহ্বান জনাইছে।

ooooooooo

সীমান্ত সুৰক্ষা বাহিনীয়ে কালি সন্ধিয়া পাঞ্জাবৰ সীমান্তৱৰ্তী এলেকা অমৃতচৰৰ পৰা এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰে। সুৰক্ষা বাহিনীৰ জোৱানে আন্তঃৰাষ্ট্ৰীয় সীমা পাৰ হোৱা সন্দেহজনক লোকজনে সীমান্তৰ নিৰাপত্তা বেৰ পাৰ হ'বলৈ চেষ্টা কৰা কাৰ্য নিৰীক্ষণ কৰি লোকজনৰ এই কাৰ্যক প্ৰত্যাহ্বান জনাই তেওঁক গ্ৰেপ্তাৰ কৰে।

সীমান্ত সুৰক্ষা বাহিনীয়ে জনোৱা মতে সন্দেহজনক লোকজনে নিজক পাকিস্তানী নাগৰিক বুলি প্ৰকাশ কৰিছে। তালাচীৰ সময়ত লোকজনৰ পৰা ৩৩০ টকা পাকিস্তানী নোট উদ্ধাৰ কৰা হৈছে। সীমান্ত সুৰক্ষা বাহিনী আৰু ইয়াৰ ভগ্নী সংস্থাসমূহে প্ৰাৰম্ভিক সোধা-পোছাৰ পাছত অনুপ্ৰৱেশকাৰীজনক স্থানীয় আৰক্ষীৰ হাতত গতাই দিছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে লোকজনক জেৰা চলাব।

ooooooooo

ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে নিৰাপত্তা পৰিষদত কয়, যে ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আৰু অৰ্থনৈতিক স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে সন্ত্ৰাসবাদ প্ৰতিৰোধ আৰু সামুদ্ৰিক সুৰক্ষা নিশ্চিত কৰাটো অতি গুৰুত্বপূৰ্ণ।

সামুদ্ৰিক নিৰাপত্তা সন্দৰ্ভত অনুষ্ঠিত বিতৰ্কত অংশ লৈ শ্ৰী হৰিশে ভাৰতৰ ব্যাপক সামুদ্ৰিক কৌশলৰ ৰূপৰেখা দাঙি ধৰে। তেওঁ এই বিতৰ্কত ৰাষ্ট্ৰভিত্তিক ভাবুকি আৰু সন্ত্ৰাসবাদ, জলদস্যু, চোৰাং সামগ্ৰী আৰু অবৈধ মাছ ধৰাৰ দৰে প্ৰত্যাহ্বানসমূহ দাঙি ধৰে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘মহাসাগৰ’ পদক্ষেপৰ সৈতে সংগতি ৰাখি সংহত প্ৰচেষ্টা, তাৎক্ষণিক সঁহাৰি, আঞ্চলিক কূটনীতি, গোলকীয় সহযোগিতা আৰু আন্তঃগাঁথনি উন্নয়ন বিষয়ত আলোকপাত কৰে।

শ্ৰী হৰিশে ভাৰতীয় নৌসেনাই শেহতীয়াকৈ পশ্চিম আৰৱ সাগৰত ৩৫ খনতকৈও অধিক জাহাজৰ চলাচল কৰি ৩০ টা ঘটনাৰ প্ৰতি সঁহাৰি জনাই ৫২০ জন ক্ৰু সদস্যক উদ্ধাৰ কৰাৰ লগতে ৫ দশমিক ৩ বিলিয়ন ডলাৰৰ সামগ্ৰী কঢ়িয়াই অনা ৩১২ খন বাণিজ্যিক জাহাজক সুৰক্ষা দিয়ে। তেওঁ হুটি বিদ্ৰোহীৰ আক্ৰমণ প্ৰতিহত কৰা, লোহিত সাগৰত পাইৰেচি নিয়ন্ত্ৰণ কৰা তথা ম্যানমাৰ, লাউচ, ভিয়েটনাম আদিত সাহায্য অভিযান চলোৱাৰ ক্ষেত্ৰত ভাৰতৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে।

ভাৰতে বিশ্বৰ বিভিন্ন অংশীদাৰ দেশৰ সৈতে যৌথ নৌসেনাৰ অনুশীলন অব্যাহত ৰাখিছে। তাঞ্জিনিয়াৰ সহযোগত আয়োজন কৰা ছদিনীয়া অনুশীলন AIKYAME-ও আছে য’ত ১০ খন আফ্ৰিকান ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছে।

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্টনিঅ’ গুটেৰেছ আৰু গ্ৰীচৰ প্ৰধানমন্ত্ৰী কিৰিয়াক’ছ মিচ্ছ’ টাকিছে বৰ্ধিত সামুদ্ৰিক ভাবুকিৰ ক্ষেত্ৰত উদ্বেগ প্ৰকাশ কৰি পাইৰেচি সন্ত্ৰাসবাদ আৰু জটিল আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণৰ উদাহৰণ দাঙি ধৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ’ভাৰ আৰু এটা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০০

সমাপ্ত